# দিছপুৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

গুৱাহাটী, ১০ জুন ঃ অসমৰ ঐতিহ্যমণ্ডিত দিছপুৰ মহাবিদ্যালয়ে ২০২৭ বৰ্ষৰ ২৮ আগষ্টত গৌৰবোজ্জ্বল সোণালী জয়ন্তী বৰ্ষত উপনীত হ'ব। সেয়েহে উক্ত গৌৰবোজ্জ্বল বৰ্ষটি সৰ্বাংগসুন্দৰ কৰাৰ অৰ্থে ২০২৭ বৰ্ষৰ ২৮ আগষ্টৰ পৰা ২০২৮ বৰ্ষৰ ২৮ আগষ্টলৈ বৰ্ষজোৰা বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপনৰ প্ৰস্তুতি আৰম্ভ কৰিব বিচৰা হৈছে। এই মহৎ উদ্দেশ্যৰ সৈতে সংগতি ৰাখি অহা ২৭ জুনত দিনৰ ২ বজাত মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত এখন সাধাৰণ সভাৰ আয়োজন কৰা হৈছে। সভাত সোণালী জয়ন্তী উদ্‌যাপন সমিতি গঠন, সোণআলী জয়ন্তীৰ বৰ্ষজোৰা পৰিকল্পনা ইত্যাদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হ'ব। সভাত মহাবিদ্যালয়ৰ সকলো প্ৰাক্তন শিক্ষাগুৰু, প্ৰাক্তন কৰ্মচাৰী, প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ বিষয়ববীয়া, সদস্য, শুভাকাংক্ষী, প্ৰাক্তন ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, কৰ্মৰত শিক্ষাগুৰু তথা কৰ্মচাৰী, বৰ্তমানৰ ছাত্ৰ একতা সভাৰ সদস্য তথা বৃহত্তৰ গণেশগুৰি অঞ্চলৰ ৰাইজৰ উপস্থিতি কামনা কৰিছে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। সবিশেষ জানিবলৈ ৮৮১১০৯৪০৭৬, ৮৭২০৯৭০৪২৮ নম্বৰত যোগাযোগ কৰিব পাৰিব।